# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 9-8-2026
**Time :** 1800 PM

## ***Assamese Evening Bulletin***
## **Headlines**
-------------------

১।	দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু সাংস্কৃতিক ঐতিহ্যৰ উদযাপনৰ বাবে নাগৰিকসকলক উৎসাহিত কৰিবলৈ দেশজুৰি **হৰ ঘৰ তিৰংগা** অভিযান আৰম্ভ।

২।	শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত উজনি অসমৰ চাৰিখন জিলাত আজিৰে পৰা ক্ষয়-ক্ষতিৰ জৰীপ।

৩।	অসম বিদ্যুৎ সঞ্চালন ব্যৱস্থা শক্তিশালী কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ বৈঠক।

**আৰু**

৪।	কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছ্‌ৰ খিতাপ অৰ্জন কৰা অস্মিতা চলিহালৈ মুখ্যমন্ত্ৰীৰ অভিনন্দন।

ooooo

দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ উদযাপনৰ বাবে দেশৰ নাগৰিকসকলক উৎসাহিত কৰাৰ লক্ষ্যৰে দেশজুৰি **হৰ ঘৰ তিৰংগা** অভিযান আজি আৰম্ভ হৈছে। ১৭ আগষ্টত এই অভিযানৰ সামৰণি পৰিব। ২০২২ চনত স্বাধীনতাৰ অমৃত মহোৎসৱ উদযাপনৰ অংশ হিচাপে আৰম্ভ কৰা এই অভিযান সম্প্ৰতি দেশৰ সৰ্ববৃহৎ ৰাজহুৱা অংশগ্ৰহণমূলক অভিযানলৈ পৰিণত হৈছে। এই অভিযানে সকলো নাগৰিকক ত্ৰিৰংগ পতাকাক ভাৰতৰ একতা, সন্মান আৰু সামূহিক ৰাষ্ট্ৰীয় পৰিচয়ৰ চিহ্ন হিচাপে উদযাপনৰ বাবে অনুপ্ৰাণিত কৰি আহিছে। এই বছৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে হৰ ঘৰ তিৰংগা অভিযানে বিশেষ গুৰুত্ব বহন কৰিছে। অভিযানৰ অংশ হিচাপে দেশৰ বিভিন্ন প্ৰান্তত বন্দে মাতৰম সমবেত কণ্ঠত পৰিৱেশন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্ততো এই অভিযান ৰূপায়ণ কৰা হৈছে।

চিৰাং জিলা প্ৰশাসনে আজি পুৱা সদৰ কাজলগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা হৰ ঘৰ তিৰংগা যাত্ৰা উলিয়ায়। এই কাৰ্যসূচীত জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

শ্ৰীভূমি জিলাত স্বাধীনতা দিৱস সৈতে সংগতি ৰাখি এই অভিযান ৰূপায়ণ কৰা হৈছে। কাইলৈ শ্ৰীভূমি চহৰত দিনৰ ১০ বজাত ত্ৰিৰংগ পতাকা সমদল উলিওৱা হ'ব। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হ'বলগীয়া এই সমদল আৰৱৰ্তভৱন হৈ জিলা গ্ৰন্থাগাৰ ভৱনত সামৰণি পৰিব। ইপিনে, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ আত্মসহায়ক গোটে প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় পতাকা ১৪ আগষ্ট পৰ্যন্ত জিলাখনৰ চৰকাৰী

কাৰ্যালয় আৰু বজাৰ এলেকাৰ ৩৫ টা বিক্ৰী কেন্দ্ৰত পোৱাৰ ব্যৱস্থা কৰা হৈছে। আজিৰে পৰা ১৫ আগষ্টলৈ জিলাখনৰ চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান আৰু ৰাজহুৱা ভৱনসমূহ ত্ৰিৰংগ পতাকাৰ তিনিটা ৰঙৰ পোহৰেৰে আলোকিত কৰাৰ লগতে বন্দে মাতৰম বিষয়বস্তুৰ ত্ৰিৰংগ আল্পনা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। ১২ আগষ্টৰ বিয়লি চাইকেল সমদল, ১৩ আগষ্টত বন্দে মাতৰম বিষয়বস্তুলৈ সাংস্কৃতিক অনুষ্ঠান আৰু ১৪ আগষ্টত বিভাজন আৰু বিভিষীকা বিষয়ক আলোচনা সভা অনুষ্ঠিত হ'ব। ইয়াৰ লগতে মাইগ'ভ প'ৰ্টেলত অনলাইন কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হৈছে। কাছাৰ জিলাৰ শিলচৰত আজি এই অভিযানৰ সৈতে সংগতি ৰাখি মটৰ চাইকেল সমদলৰ আয়োজন কৰা হয়। এই সমদলত কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়া, অতিৰিক্ত জিলা দণ্ডাধীশ ডেভিদ কুমাৰ বৰাৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ ভালেসংখ্যক বিষয়া-কৰ্মী উপস্থিত থাকে।

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ১৭ আগষ্টলৈ হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী ৰূপায়ণ কৰিছে। ৰে'লৱে ইয়াৰ অধীনৰ সমগ্ৰ এলেকাত এই উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে। গুৰুত্বপূৰ্ণ ষ্টেচনসমূহত ৰাজহুৱা ঘোষণা প্ৰণালীৰ জৰিয়তে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ বাদ্য যন্ত্ৰৰ সহায়ত পৰিৱেশন কৰা হৈছে। তদুপৰি ঐক্য তথা ৰাষ্ট্ৰীয়তাবাদী ভাবধাৰা শক্তিশালী কৰাৰ বাবে ত্ৰিৰংগ পতাকাৰ সৈতে ছেলফি আপল'ড কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰা হৈছে।

ooooo

অসমত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, আৰু গোলাঘাট জিলাত আজিৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হৈছে। প্ৰথম পৰ্যায়ৰ জৰীপ অহা ৩০ আগষ্টলৈ চলিব। শিৱসাগৰ জিলাৰ ডিমৌ সম-জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা ডিমৌৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত ক্ষয়ক্ষতিৰ জৰীপ আৰম্ভ হৈছে। গড়গাঁও পঞ্চায়তৰ দুই নম্বৰ ৰামু গাঁৱৰ পৰা এই কাৰ্যসূচী আৰম্ভ কৰা হয়। সমজিলা আয়ুক্ত লুকুমণি বৰাই প্ৰকাশ কৰা মতে জৰীপৰ বাবে ৮০ গৰাকী চৰকাৰী বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হৈছে। বানত ক্ষতিগ্ৰস্ত বাসগৃহ, পশুধন আৰু অন্যান্য সামগ্ৰীৰ জৰীপ ১৫ দিনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ কয়।

*(বাইট ঃ লুকুমণি বৰা)*

৩০ ছেপ্টেম্বৰৰ ভিতৰত ক্ষতিগ্ৰস্তসকলক ক্ষতিপূৰণৰ ধন আদায় দিয়া হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰী বিমল বৰাই শিৱসাগৰৰ নামডাং নৈৰ দলঙৰ সমীপৰ অঞ্চল পৰিদৰ্শন কৰি বানৰ ক্ষয়ক্ষতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বান ক্ষতিগ্ৰস্ত লোকসকলক চৰকাৰে সৰ্বাধিক তিনি লাখ ৫০ হাজাৰ টকালৈ সাহায্য প্ৰদান কৰিব বুলি জানিবলৈ দিয়ে। বানৰ ফলত বাসগৃহ ক্ষতিগ্ৰস্ত হোৱা লোকসকলে এক লাখ ২০ হাজাৰ টকা সাহায্য হিচাপে লাভ কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

মন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাট সমজিলাত আৰম্ভ হোৱা বানৰ ক্ষয়ক্ষতিৰ জৰীপ কাৰ্যৰ তদাৰক কৰে। ইপিনে কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি শিৱসাগৰ জিলা বিজেপিৰ সহযোগত জিলাখনৰ বান ক্ষতিগ্ৰস্ত অঞ্চললৈ সাহায্য সামগ্ৰী বিতৰণ কৰে। বান প্ৰভাৱিত লোকসকলৰ সহায়ৰ বাবে অসমৰ চাৰিগৰাকী সাংসদে নিজাববীয়াকৈ সাহায্য আগবঢ়াব বুলি তেওঁ উল্লেখ কৰে। যোৰহাট জিলাত ক্ষয়ক্ষতিৰ জৰীপ সম্বন্ধে উল্লেখ কৰি তেওঁ কয়, যে জিলাখনত ২৮৮ খন গাঁও বানৰ কবল পৰিছে। জিলাখনত এক লাখ ৬৬ হাজাৰৰো অধিক লোক বানৰ ফলত ক্ষতিৰ সন্মুখীন হৈছে বুলি তেওঁ উল্লেখ কৰে।

*(বাইট ঃ মাৰ্ঘেৰিটা)*

স্বাস্থ্য মন্ত্ৰী অশোক সিঙহালে কয় যে বানৰ পৰৱৰ্তী সময়ছোৱাত কৃষকসকলৰ স্বাস্থ্য সুৰক্ষিত ৰখাৰ বাবে বিভিন্ন ঠাইত স্বাস্থ্য শিবিৰ মুকলি কৰা হৈছে। শিৱসাগৰৰ চকীমুখত আজি আয়োজিত এটা শিবিৰত শিশুসকলক হাত পৰিষ্কাৰকৈ ধোৱা সন্দৰ্ভত প্ৰশিক্ষণ দিয়া হয়।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১২ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। বানত ৪৬০ খন গাঁৱৰ ১ লাখ ৪৭ হাজাৰ ৩৭৪ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১০ হাজাৰ ৫৯৯ দশমিক ৮-৯ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত সম্প্ৰতি মৃত্যু হোৱা লোকৰ সংখ্যা ৯৯ হৈছেগৈ।

০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি শক্তি বিভাগৰ এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত বিভাগটোৰ অধীনস্থ বাহ্যিক সাহাৰ্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। তদুপৰি অসম বিদ্যুৎ সঞ্চালন ব্যৱস্থা শক্তিশালীকৰণ প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। ৰাজ্যৰ উদীয়মান উদ্যোগ খণ্ডৰ বাবে নিৰ্ভৰযোগ্য শক্তি সুনিশ্চিত কৰাৰ লগতে নিকাশক্তি সংবৰ্ধন কৰা সন্দৰ্ভতো বৈঠকত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। তদুপৰি গ্ৰামীণ বৈদ্যুতিকীকৰণ ব্যৱস্থা সম্প্ৰসাৰণ কৰাৰ লগতে পাৱাৰ গ্ৰীডসমূহ অধিক শক্তিশালী কৰা সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক খিলঞ্জীয়া দিৱস পালন কৰা হৈছে। অসম সংযুক্ত জনজাতীয় সংস্থা আৰু সদৌ বড়ো প্ৰাক্তন স্বেচ্ছাসেৱক বাহিনী সংস্থাই কোকৰাঝাৰত বিভিন্ন কাৰ্যসূচীৰে এই দিৱস পালন কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি কোকৰাঝাৰ চহৰৰ মাজেৰে এটা শোভাযাত্ৰা উলিওৱা হয়। বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে ৰাজ্যৰ প্ৰতিটো থলুৱা সম্প্ৰদায়লৈ এই দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ পৰিচয় আৰু সাংস্কৃতিক ঐতিহ্য থলুৱা সম্প্ৰদায়সমূহত নিহিত হৈ আছে।

০০০০০

অসম কন্যা অস্মিতা চলিহাই কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ অৰ্জন কৰিছে। অস্মিতাই আজি দক্ষিণ কোৰিয়াৰ আছানত অনুষ্ঠিত ফাইনেলত চীনৰ হান চিয়ান শ্বিক ১৪-২১, ২১-১৪, ২১-১৪ গেমত পৰাস্ত কৰে। প্ৰথমটো গেমত পৰাজিত হোৱাৰ পাছত অস্মিতাই সবল প্ৰত্যাৱৰ্তন ঘটাই আৰু ৫৩ মিনিটত বিজয় সাব্যস্ত কৰি খেলুৱৈ জীৱনৰ প্ৰথমটো বি ডব্লিউ এফ খিতাপ হস্তগত কৰে। অস্মিতাই ইয়াৰ পূৰ্বে ২০২৪ চনত এছিয়া দলীয়া প্ৰতিযোগিতাৰ স্বৰ্ণ পদক অৰ্জন কৰিছিল। ইয়াৰ উপৰি খেলুৱৈগৰাকীয়ে ২০১৯ চনত অনুষ্ঠিত দক্ষিণ এছিয়ান গেমছত মহিলাৰ ছিংগলছ আৰু দলীয় উভয় শিতানত খিতাপ দখল কৰিছিল।

কোৰিয়া মাষ্টাৰ্ছত বিজয়ী হোৱাৰ বাবে অস্মিতা চলিহালৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে অস্মিতাৰ এই সফলতা নতুন প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলি অভিহিত কৰে।

০০০০০

সমাপ্ত